• *Total number of printed pages – 7*

**63 (FY)SEM–3/MIN/ASMMIN2014A**

**2025**

**ASSAMESE**

Paper : ASMMIN2014A

***( Culture of Assam )***

*Full Marks : 70*

*Pass Marks : 28*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। তলত দিয়া প্ৰশ্নবোৰৰ শুদ্ধ উত্তৰটো বাছি উলিওৱা ঃ ১×১০=১০

(ক) 'অসমীয়া জন সাহিত্য' গ্ৰন্থখনৰ লেখক কোন?

*(i)* বিৰিঞ্চি কুমাৰ বৰুৱা

*(ii)* নবীন চন্দ্ৰ শৰ্মা

*(iii)* লীলা গগৈ

*(iv)* প্ৰফুল্ল দত্ত গোস্বামী

(খ) 'কালিকা পুৰাণ' মতে কামৰূপ ৰাজ্যৰ প্ৰথম ৰজা কোন আছিল?

*(i)* পুষ্য বৰ্মণ

*(ii)* ঘটকাসুৰ

*(iii)* নৰকাসুৰ

*(iv)* ভাস্কৰ বৰ্মণ

(গ) 'অচম' শব্দৰে প্ৰথমে কাক বুজোৱা হৈছিল?

*(i)* মিচিং সকলক

*(ii)* ম'ৰাণ সকলক

*(iii)* আহোম সকলক

*(iv)* তিৱা সকলক

(ঘ) কোচ ৰাজবংশীসকলৰ সোণাৰায় পূজা হৈছে ঃ

*(i)* হাতী দেৱতাৰ পূজা

*(ii)* বাঘ দেৱতাৰ পূজা

*(iii)* গঁড় দেৱতাৰ পূজা

*(iv)* গো-মাতাৰ পূজা



(ঙ) কামৰূপ ৰাজ্যৰ পতনৰ পিছত নামনি অসমত কোন শক্তিশালী ৰাজ্যৰ উত্থান ঘটে –

*(i)* কমতাপুৰ ৰাজ্য

*(ii)* চুটীয়া ৰাজ্য

*(iii)* জয়ন্তীয়া ৰাজ্য

*(iv)* বৰাহী ৰাজ্য

(চ) 'জাম্বিলি আথন' কোন জনগোষ্ঠীৰ জাতীয় প্ৰতীক?

*(i)* কাৰ্বি জনগোষ্ঠীৰ

*(ii)* ডিমাছা জনগোষ্ঠীৰ

*(iii)* ৰাভা জনগোষ্ঠীৰ

*(iv)* মিচিং জনগোষ্ঠীৰ

(ছ) কোনখন পুথিত পোন প্ৰথমে 'অসমীয়া' শব্দটো ব্যৱহৃত হৈছিল?

*(i)* হৰ্ষ চৰিত

*(ii)* শঙ্কৰ চৰিত

*(iii)* কথাগুৰু চৰিত

*(iv)* শংকৰদেৱ-মাধৱদেৱ চৰিত্ৰ

(জ) 'নংক্ৰেম' কোন জনগোষ্ঠীৰ উৎসৱ?

*(i)* খাছী জনগোষ্ঠীৰ

*(ii)* বড়ো জনগোষ্ঠীৰ

*(iii)* তিৱা জনগোষ্ঠীৰ

*(iv)* আহোম জনগোষ্ঠীৰ

(ঝ) বড়ো সকলে বাথৌদেৱতা বুলি বিশ্বাস কৰা গছডাল হৈছে ______।

*(i)* বেল গছ

*(ii)* বট গছ

*(iii)* সিজু গছ

*(iv)* চন্দন গছ

(ঞ) অসমীয়া মহিলাই কেৰু শৰীৰৰ কোন অঙ্গত পৰিধান কৰে?

*(i)* ডিঙিত

*(ii)* হাতত

*(iii)* নাকত

*(iv)* কাণত



২। তলৰ *যিকোনো পাঁচটা* প্ৰশ্নৰ উত্তৰ কৰা ঃ ২×৫=১০

(ক) লোক-সংস্কৃতিৰ *দুটা* বৈশিষ্ট্য উল্লেখ কৰা।

(খ) অসমীয়া সংস্কৃতিৰ *যিকোনো দুটা* সমলৰ নাম লিখা।

(গ) 'মহহো' উৎসৱ কেতিয়া পালন কৰা হয়? গোৱালপাৰা জিলাত এই উৎসৱ কি নামে জনাজাত?

(ঘ) কিমান চনত গঠিত হোৱা, কেনে সভাই 'অসম' নামটো এক প্ৰস্তাৱযোগে সৰ্বগ্ৰহণীয় কৰি তুলিছিল?

(ঙ) বড়ো মহিলাই পৰিধান কৰা *যিকোনো দুবিধ* অলংকাৰৰ নাম লিখা।

(চ) দেৱানন্দ ভৰালীৰ মতে অসম নামৰ উৎপত্তি কিদৰে হৈছিল?

(ছ) কোন জনগোষ্ঠীয়ে কি কামনা কৰি কাতিকা পূজা পালন কৰে?

৩। তলৰ *যিকোনো ছয়টা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ৫×৬=৩০

(ক) সংস্কৃতিৰ গ্ৰহণ আৰু বৰ্জন সম্পৰ্কে চমুকৈ লিখা।

(খ) বড়ো সকলৰ 'খেৰাই পূজা' ৰ বিষয়ে চমুকৈ লিখা।

(গ) আদিবাসী সকলৰ 'টুচু' পূজা সম্পৰ্কে চমুকৈ লিখা।

(ঘ) অসমীয়া লোক-সংস্কৃতিত তামোল-পাণৰ সৈতে জড়িত বিশ্বাসবোৰ চমুকৈ আলোচনা কৰা।

(ঙ) অসমীয়া সংস্কৃতিৰ সৈতে 'গামোছা' আৰু 'শৰাই' কিদৰে জড়িত হৈ আছে, চমুকৈ আলোচনা কৰা।

(চ) অসমীয়া লোক-সংস্কৃতিত লোক উৎসৱ সম্পৰ্কে চমুকৈ লিখা।

(ছ) অসমীয়া সমাজ-সংস্কৃতিলৈ কোচ ৰাজবংশীসকলৰ অৱদানৰ বিষয়ে চমুকৈ আলোচনা কৰা।

(জ) মিচিং সকলৰ 'আলি-আইলৃগাং' উৎসৱৰ বিষয়ে চমুকৈ লিখা।

(ঝ) ৰাভা মহিলা সকলে পৰিধান কৰা আ-অলংকাৰৰ বিষয়ে চমুকৈ আলোচনা কৰা।

৪। তলৰ *যিকোনো দুটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ১০×২=২০

(ক) সংস্কৃতিৰ সংজ্ঞা বোৰ উল্লেখ কৰি ইয়াৰ বৈশিষ্ট্য সম্পৰ্কে বহলাই আলোচনা কৰা।

(খ) অসমীয়া লোকগীতৰ শ্ৰেণীবিভাজন সম্পৰ্কে বিশদভাৱে আলোচনা কৰা।

(গ) বড়ো সকলৰ 'বৈসাগু' উৎসৱৰ বিষয়ে বিশদভাৱে আলোচনা কৰা।



(ঘ) লোক-সংস্কৃতি, জন সংস্কৃতি আৰু অভিজাত সংস্কৃতিৰ মাজত থকা সম্পৰ্কৰ বিষয়ে বহলাই আলোচনা কৰা।

---